স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

মাৰ্চ ২০২৪ চন ☐ VOL-14 ☐ NO-21 ☐ MONDAY 25 MARCH 2024 (ডিব্ৰুগড় সংস্কৰণ/D

আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত পহিলা ব'হাগৰ দিনা চতুৰ্দশ বাৰ্ষিক মুকলি বিহুৰ আয়োজন কৰা হৈছে। এই উপলক্ষত ইতিমধ্যে যাৱতীয় প্ৰস্তুতি চলাই থকা হৈছে বুলি জানিব পৰা গৈছে। ইফালে বৃহত্তৰ অঞ্চলটোত অনুষ্ঠিত কৰি অহা পঞ্চদশ বাৰ্ষিক ব'হাগী বিদায় উৎসৱ ১০ আৰু ১১ মে'ত মথুৰাপুৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত কৰিবলৈ যাৱতীয় প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষত অলপতে অনুষ্ঠিত এখন ৰাজহুৱা সভাত প্ৰণৱ বৰগোহাঁইক সভাপতি, মৃগেন গগৈ, নীলম নেত্ৰ নেওগক কাৰ্যকৰী সভাপতি আৰু দীপেন ফুকনক সম্পাদক হিচাপে লৈ এখন উদ্যাপন সমিতি গঠন কৰা হয়।

# ডিএইচএছ কানৈ কলেজত স্বাস্থ্য সজাগতা শিবিৰ

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৪ মাৰ্চ ঃ** ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ উদ্যোগত কালি এদিনীয়া স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত হয়। জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ সমন্বয়ক ড° আৰাধনা প্ৰিয়ম্বদা ভূঞাৰ তত্বাৱধানত কনিষ্ঠ গৱেষিকা মধুস্মিতা কোঁৱৰে আঁত ধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° ভাস্কৰ দাস। ভাষণ প্ৰসংগত ড° দাসে তেজৰ বিভিন্ন গ্ৰুপৰ বিষয়ে বিতংভাৱে অৱগত কৰে আৰু কিদৰে তেজ পৰীক্ষা কৰিব পাৰি, সেই বিষয়ে এক বিশদ বৰ্ণনা আগবঢ়োৱাৰ লগতে তেজ পৰীক্ষা কৰি দেখুৱায়। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই তেজ পৰীক্ষা আৰু ৰক্তদানৰ গুৰুত্বতাৰ বিষয়ে আলোকপাত কৰে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক অম্বৰীশ ভূঞা, অধ্যাপক অভিলাষ ভট্টাচাৰ্য, জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ পৰীক্ষাগাৰৰ সহায়িকা নিকিতা দত্ত উপস্থিত থাকে। এই

১০ পৃষ্ঠাত



RANT
crazy
uiry :
umes.c